প্ৰথমটোৰ ব্যাখ্যাৰ (নগদ লেনদেন পদ্ধতি) পৃষ্ঠপোষক হৈছে অধ্যাপক আৰভিং ফিচাৰ। তেওঁৰ ব্যাখ্যাত মুদ্ৰাৰ বিনিময় মাধ্যমক গুৰুত্ব প্ৰদান কৰিছে।

**দ্বিতীয়টো ব্যাখ্যাৰ (নগদ জমা পদ্ধতি)** পৃষ্ঠপোষক হৈছে অৰ্থনীতিবিদ মাৰ্ছেল, পিগ' ৰবাৰ্টচন আৰু কীন্স। তেওঁলোকৰ ব্যাখ্যাত মুদ্ৰাৰ ভঁৰাল হিচাপে কৰা কাৰ্যক গুৰুত্ব প্ৰদান কৰিছে।

## মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ নগদ লেনদেন সমীকৰণ
## (Cash Transaction Equation of the Quantity Theory of Money)

(1) মুদ্ৰাৰ পৰিমাণ তত্ত্বৰ নগদ লেনদেন তত্ত্বটো আগবঢ়াইছিল প্ৰখ্যাত আমেৰিকান অৰ্থনীতিবিদ আৰভিং ফিচাৰে। ১৯১১ চনত প্ৰকাশিত তেওঁৰ গ্ৰন্থ "The Purchasing Power of Money" নামৰ গ্ৰন্থত এই তত্ত্বটো আগবঢ়াইছিল। এই তত্ত্ব অনুসৰি বজাৰত যেনেকৈ দ্ৰব্যৰ দৰ ইয়াৰ চাহিদা আৰু যোগানৰ ওপৰত নিৰ্ভৰশীল তেনেকৈ মুদ্ৰাৰ মূল্যও ইয়াৰ চাহিদা আৰু যোগানৰ ওপৰত নিৰ্ভৰশীল। ফিচাৰৰ মতে, "আন সকলোবোৰ বস্তু একে থকা অৱস্থাত মুদ্ৰাৰ যোগান বৃদ্ধি পালে মূল্যস্তৰো সমানুপাতিক হাৰত বৃদ্ধি পাব আৰু মুদ্ৰাৰ যোগান হ্ৰাস পালে মূল্যস্তৰ হ্ৰাস পাব। গতিকে ফিচাৰৰ মতে সাধাৰণ দৰস্তৰ বা মূল্যস্তৰ আৰু মুদ্ৰাৰ পৰিমাণৰ সম্পৰ্কটো বিপৰীতমুখী।

("Other thing remaining unchanged as quantity of money is circulation increasese the price level also increases in direct proportion and the value of money decreases and vice-versa.")।

অধ্যাপক ফিচাৰৰ মতে, কোনো এক নিৰ্দিষ্ট কালত এক একক মুদ্ৰা বস্তু আদি কিনাত যিমানবাৰ ব্যৱহাৰ কৰা হয় তাকেই মুদ্ৰাৰ প্ৰচলন গতি (Velocity of money) বোলা হয়। একক মুদ্ৰা যদি দিনটোত চাৰিবাৰ আদান-প্ৰদান কৰা হয় তেন্তে তাক চাৰিটা মুদ্ৰাৰ সমান বুলি ধৰা হয়। মুদ্ৰাৰ প্ৰচলন গতি (V) আৰু বিনিময়ৰ অৰ্থে অহা দ্ৰব্য সামগ্ৰী (T) একে থকা অৱস্থাত দৰস্তৰ (P) প্ৰত্যক্ষভাৱে মুদ্ৰাৰ পৰিমাণ (M)ৰ ওপৰত নিৰ্ভৰ কৰে। কোনো এক সময়ৰ মুঠ মুদ্ৰা যোগানক সেই সময়ৰ মুদ্ৰাৰ প্ৰচলন গতিৰে পূৰণ কৰিলে মুদ্ৰা যোগানৰ



Scanned with CamScanner

এটা অংশ পোৱা যায়। ফিচাৰৰ মতে ক্রয় কৰা দ্রব্যৰ মুঠ মূল্য বিক্রী কৰা দ্রব্যৰ মুঠ মূল্যৰ সমান হয়।

অৰ্থাৎ, $MV = PT$

য'ত,

$M$ = মুদ্ৰাৰ পৰিমাণ

$V$ = মুদ্ৰাৰ প্ৰচলন গতি

$P$ = দৰস্তৰ

$T$ = বিনিময়ৰ অৰ্থে অহা দ্ৰব্য সামগ্ৰীৰ মুঠ পৰিমাণ

মুদ্ৰা যোগানৰ দ্বিতীয় অংশটো হৈছে ঋণগত মুদ্ৰাৰ পৰা অহা মুদ্ৰা। অৰ্থাৎ চেকমুদ্ৰাৰ দ্বাৰা বস্তুৰ আদান-প্ৰদান কৰা হয়। এই ঋণগত মুদ্ৰাৰো প্ৰচলন গতি আছে। গতিকে কোনো এক নিৰ্দিষ্ট সময়ত সমগ্ৰ মুদ্ৰাৰ পৰিমাণ নিৰ্ভৰ কৰে—

বিহিত মুদ্ৰাৰ পৰিমাণ X বিহিত মুদ্ৰাৰ প্ৰচলন গতি + ঋণগত মুদ্ৰাৰ পৰিমাণ X ঋণগত মুদ্ৰাৰ প্ৰচলন গতি।

**অভিধাৰণা ঃ** ফিচাৰৰ মুদ্ৰাৰ পৰিমাণ তত্ত্বটো কিছুমান অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত।

i) দৰস্তৰক নিষ্ক্ৰিয় উপাদান বুলি ধৰা হৈছে। অৰ্থনীতিত M, V, T ইত্যাদিৰ দৰে উপাদানসমূহৰ দ্বাৰাহে দৰবস্তুৰ পৰিৱৰ্তন হয়।

ii) বিনিময়ৰ অৰ্থে অহা দ্ৰব্য সামগ্ৰীৰ পৰিমাণ (T) হৈছে স্বতন্ত্ৰ উপাদান। দেশৰ প্ৰাকৃতিক সম্পদ, প্ৰযুক্তিবিদ্যা, জনসংখ্যা ইত্যাদিৰ দ্বাৰাহে ই পৰিৱৰ্তন হয়। মুদ্ৰাৰ যোগানৰ দ্বাৰা ই পৰিৱৰ্তন নহয়।

iii) হ্ৰস্বকালীন অৱস্থাত T স্থিৰে থাকে।

iv) ফিচাৰৰ মুদ্ৰা পৰিমাণ তত্ত্বটো হ্ৰস্বকালীন অৱস্থাত V স্থিৰে থাকে বুলি ধৰি লোৱা হৈছে। আৰু ই হৈছে এটা স্বতন্ত্ৰ উপাদান।

v) সমীকৰণটোত উল্লেখ কৰা বেংক মুদ্ৰাৰ পৰিমাণ ($M_1$) স্থিৰে থাকে বুলি ধৰা হৈছে।

ফিচাৰৰ উপৰোক্ত সমীকৰণটোত কেৱল নগদ মুদ্ৰা অন্তৰ্ভুক্ত হৈছে। আধুনিক অৰ্থনীতিত সকলোবিলাক কাৰ্যাৱলী কেৱল নগদ মুদ্ৰাৰ দ্বাৰা সম্পাদন নহয়, বেংকৰ ঋণগত মুদ্ৰায়ো ইয়াক নিয়ন্ত্ৰণ কৰে। সেয়েহে ফিচাৰৰ সংশোধিত মুদ্ৰাৰ পৰিমাণ তত্ত্বটোত বেংক মুদ্ৰাক অন্তৰ্ভুক্ত কৰা হৈছে। তেখেতৰ নতুন সমীকৰণটো হ'ল—

$$PT = MV + M_1V_1$$

$$\text{OR},\ P = \frac{MV + M_1V_1}{T}$$

য'ত,

$P$ = দৰস্তৰ

$M_1$ = বেংক মুদ্ৰা

$V_1$ = বেংক মুদ্ৰাৰ প্ৰচলন গতি

এই সমীকৰণটোত মুদ্ৰাৰ যোগানৰ লগত দৰস্তৰৰ প্ৰত্যক্ষ সম্পৰ্ক আছে আৰু Tৰ লগত বিপৰীত সম্পৰ্ক




Scanned with CamScanner

আছে। এইদৰে ফিচাৰে মুদ্ৰাৰ পৰিমাণৰ পৰিৱৰ্তন আৰু দৰবস্তুৰ পৰিৱৰ্তনৰ মাজত এক প্ৰত্যক্ষ সমানুপাতিক সম্পৰ্ক প্ৰতিষ্ঠা কৰে। গতিকে মুদ্ৰাৰ মূল্য দুগুণ হ'লে দৰবস্তুৰো দুগুণ হ'ব আৰু মুদ্ৰাৰ মূল্য আধালৈ হ্ৰাস পাব।

**চিত্ৰৰ দ্বাৰা ব্যাখ্যা (Diagrammatic Presentation) ঃ** তলত চিত্ৰৰ দ্বাৰা দৰবস্তুৰ আৰু মুদ্ৰাৰ মূল্যৰ ওপৰত মুদ্ৰা যোগানৰ পৰিৱৰ্তন দেখুওৱা হৈছে— চিত্ৰ (A)ত মুদ্ৰাৰ যোগান অথবা মুদ্ৰাৰ পৰিমাণ দৰবস্তুৰ বৃদ্ধি পোৱাৰ লগে লগে বৃদ্ধি পোৱাটো দেখুওৱা হৈছে। যেতিয়া মুদ্ৰাৰ যোগান OMৰ পৰা $OM_1$লৈ বৃদ্ধি পাইছে তাৰ লগে লগে দৰবস্তুৰ OPৰৰ পৰা $OP_1$লৈ বৃদ্ধি পাইছে। আনহাতে মুদ্ৰাৰ যোগান OMৰ পৰা $OM_2$লৈ হ্ৰাস পোৱাত দৰবস্তুৰো হ্ৰাস পাই আধা হৈছে। দৰবস্তুৰ আৰু মুদ্ৰাৰ সম্পৰ্ক প্ৰত্যক্ষ আৰু সমানুপাতিকৰূপে দেখুওৱা হৈছে।

চিত্ৰ (B)ত মুদ্ৰাৰ যোগান OMৰ পৰা $OM_1$লৈ দুগুণ বৃদ্ধি পোৱাত মুদ্ৰাৰ মূল্য $\frac{1}{P}$ৰ পৰা $\frac{1}{P}$লৈ হ্ৰাস পাই আধা হৈছে। আনহাতে মুদ্ৰাৰ পৰিমাণ OMৰ পৰা $OM_2$লৈ হ্ৰাস পাই আধা হওতে মুদ্ৰাৰ মূল্য $\frac{1}{P}$ৰ




পৰা $\frac{1}{P_2}$লৈ বৃদ্ধি পাই দুগুণ হৈছে। দেখা গৈছে যে মুদ্ৰাৰ মূল্য ৰেখাডাল এডাল আয়তাকাৰ যিয়ে মুদ্ৰাৰ যোগান আৰু মুদ্ৰাৰ মূল্যৰ মাজত বিপৰীত আনুপাতিক সম্পৰ্কক দেখুৱাইছে।

**ফিচাৰৰ তত্ত্বৰ সমালোচনা (Criticisms of the Fisherian Quantity theory of Money) ঃ**



Scanned with CamScanner

ফিচাৰৰ মুদ্ৰাৰ পৰিমাণ তত্ত্বটো বহুতো সমালোচকে সমালোচনা কৰিছে। এই তত্ত্বৰ প্ৰধান ত্ৰুটিসমূহ হ'ল—

i) সমালোচকসকলৰ মতে, ফিচাৰৰ তত্ত্বটো কিছুমান অবাস্তৱ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। ফিচাৰে V, $V_1$, P আৰু $M_1$ স্থিৰে থাকে বুলি ধাৰণা কৰিছে। কিন্তু গতিশীল পৃথিৱীৰ উল্লিখিত কোনোবিধ উপাদানেই স্থিৰ হৈ নাথাকে।

ii) ফিচাৰে উল্লেখ কৰিছে যে মুদ্ৰা যোগানৰ পৰিৱৰ্তন হ'লে মুদ্ৰাৰ প্ৰচলন গতি একে থাকে। কিন্তু বাস্তৱত মুদ্ৰা যোগানৰ পৰিৱৰ্তন হোৱাৰ লগে লগে মুদ্ৰাৰ প্ৰচলন গতিও পৰিৱৰ্তন হয়। কিন্তু ফিচাৰৰ মতে, M আৰু V স্বতন্ত্ৰ উপাদান আৰু এটাই আনটোৰ ওপৰত ক্ৰিয়া নকৰে।

iii) ফিচাৰৰ মতে অৰ্থনীতিত Mৰ পৰিৱৰ্তন হ'লে Tৰ পৰিৱৰ্তন নহয়। Tৰ পৰিৱৰ্তন হয় অন্যান্য উপাদান প্ৰাকৃতিক সম্পদ, প্ৰযুক্তি কৌশল ইত্যাদিৰ বাবেহে। বাস্তৱত কিন্তু এনেকুৱা নহয়। বাস্তৱত Mৰ পৰিৱৰ্তন হ'লে Tৰ পৰিৱৰ্তন নোহোৱাকৈ থাকিব নোৱাৰে। কিয়নো M বৃদ্ধি পালে, Pও বৃদ্ধি পায় লগে লগে মুনাফাও বৃদ্ধি পায়— আৰু দেশত Tৰ পৰিমাণো বৃদ্ধি পায়।

iv) ফিচাৰৰ তত্ত্বত Pক নিষ্ক্ৰিয় বুলি অভিধাৰণা কৰা হৈছে। কিন্তু বাস্তৱত এইটো কেতিয়াও শুদ্ধ নহয়। Pৰ বৃদ্ধিয়ে Tক প্ৰভাৱিত কৰে। উচ্চ দৰে মুনাফাক সদায় প্ৰভাৱিত কৰে, ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণ ঘটে, উৎপাদন বৃদ্ধি পায় আৰু P বৃদ্ধিৰ লগে লগে Tও বৃদ্ধি পায়।

v) ফিচাৰৰ তত্ত্বত T আৰু Vক স্বতন্ত্ৰ বুলি ধৰা হৈছে। কিন্তু বাস্তৱত Tয়ে Vক প্ৰভাৱিত কৰে। কিয়নো ব্যৱসায়-বাণিজ্য বৃদ্ধি পালেই মুদ্ৰাৰ প্ৰচলন গতিও বৃদ্ধি পায়।

vi) ফিচাৰৰ মতে, অৰ্থনীতিত মুদ্ৰা যোগানৰ দ্বাৰাহে দৰস্তৰ পৰিৱৰ্তন হয়, দৰস্তৰৰ বাবে মুদ্ৰা যোগানৰ পৰিৱৰ্তন নহয়। কিন্তু বাস্তৱত দৰস্তৰৰ দ্বাৰাহে মুদ্ৰা যোগানৰ পৰিৱৰ্তন হোৱাটো পৰিলক্ষিত হয়।

vii) সমালোচকসকলে পুনৰ সমালোচনা কৰি কৈছে যে Tৰ পৰিৱৰ্তনৰ দ্বাৰা Mৰ পৰিৱৰ্তন হ'ব পাৰে। ব্যৱসায়-বাণিজ্যৰ উত্থানৰ প্ৰক্ৰিয়াটোলৈ মন কৰা যায় তেন্তে দেখা পোৱা যায় ব্যৱসায়-বাণিজ্যৰ উত্থানৰ সময়ত দৰৰ কোনো পৰিৱৰ্তন সাধন নকৰাকৈ মুদ্ৰাৰ যোগান (M) বৃদ্ধি পায়।

viii) সমালোচকসকলৰ মতে $M_1$ $V_1$ স্বতন্ত্ৰ নহয়। যেতিয়া বেংক মুদ্ৰাৰ যোগান বৃদ্ধি পায় তেতিয়া বেংক মুদ্ৰাৰ প্ৰচলন গতি ($V_1$)ও বৃদ্ধি পায়।

ix) ফিচাৰৰ তত্ত্বটো পূৰ্ণ নিয়োগৰ অভিধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু কেইন্সৰ দৰে সমালোচকে এইবুলি সমালোচনা কৰিছে যে অৰ্থনীতিত অপূৰ্ণ নিয়োগ অৱস্থাতহে ফিচাৰৰ তত্ত্বটো প্ৰযোজ্য হয়।

x) কেইন্সে সমালোচনা কৰি মতামত দাঙি ধৰিছে যে মুদ্ৰাৰ যোগান আৰু দৰস্তৰৰ মাজত কোনো প্ৰত্যক্ষ আৰু সমানুপাতিক সম্পৰ্ক নাই। মুদ্ৰাৰ পৰিমাণ তত্ত্বটোৱে স্পষ্টভাৱে কিদৰে মুদ্ৰাৰ যোগানে দৰস্তৰক প্ৰভাৱিত কৰে সেয়া ব্যাখ্যা কৰা নাই।

xi) ফিচাৰৰ তত্ত্বটো এটা একলীয়া তত্ত্ব হিচাপে বিবেচিত হৈছে। কিয়নো ফিচাৰে প্ৰধানকৈ মুদ্ৰাৰ যোগানক গুৰুত্ব প্ৰদান কৰিছে। চাহিদাক স্থিৰে থাকে বুলি ধৰি ইয়াক নিষ্ক্ৰিয় কৰি তুলিছে।

ওপৰৰ আলোচনাৰ পৰা আমি ক'ব পাৰোঁ যে মুদ্ৰাৰ পৰিমাণ তত্ত্বটো অৰ্থনি...